# ৰাভামিজৰ
# আঞ্চলিক ৰূপৰ
# নমুনা

# ৯.০০ ৰাভামিজৰ আঞ্চলিক ৰূপৰ নমুনা

## ৯.১০ মান্য অসমীয়াৰ ৰূপ ঃ

সেই সময়তে লাঙা ৰজাই আগতে ওঠৰ ৰজাৰ পৰা অনা ওঠৰ হাজাৰ টকাৰ ধাৰ আদায় কৰিবলৈ আহিলে। তেতিয়া মাক আৰু পুতেকৰ গোটেই গাতে খুহু উঠিছে। সিহঁতে ক'বলৈ ধৰিলে—"তোমাৰ পৰা অনা টকা আমি লোৱাও নাই, খোৱাও নাই।" এই বুলি শপত খালে। পাছত ওঠৰ ৰজাই মাক আৰু পুতেক দুয়োকে বান্ধি মাৰ-কিল কৰিবলৈ ধৰিলে। মাৰ-কিল কৰি যি পায়-ঘৰৰ ৰুৱা-কামি আৰু ভেটিৰ মাটিকে খান্দি বোজাই কৰি ভাৰ-ভেটি কৰি নিবলৈ ধৰিলে। তাৰপাছত মাকৰ বান্ধ মাকে কাটি আৰু পুতেকৰ বান্ধ পুতেকে কাটি দুয়োজনে আলোচনা কৰিবলৈ ধৰিলে। "তই যা পূব ফালে আৰু মই যাও পশ্চিম ফালে।"—এইবুলি পুতেকে ক'লে। তাৰপাছত মাকে গ'ল পূব ফালে আৰু পুতেকে গ'ল পশ্চিম ফালে। এঘৰত গৈ পুতেকে ক'বলৈ ধৰিলে—"গৰু চৰাই ভাত খাওঁ।" "হে বাবা, মোৰ এটাই মাথোন গৰু, এটাই ল'ৰা। তাকে নহয়। তোক মই আৰু ক'ত ৰাখিবলৈ পাৰিম? সেই ঘৰ মানুহৰ ওচৰলৈ গৈ চাচোন। সিয়ে ৰাখে নে নেৰাখে?" সেই ঘৰলৈও যায়। তাতো কয়—"হে ঘৰৰ মালিক, গৰু চৰাই ভাত খাওঁ।" "হে বাবা মোৰ দুটা মাত্ৰ গৰু, দুটাই বেটা। সিহঁতকেই নহয়। তোক মই ক'ত ৰাখিবলৈ পাৰিম? ভাল কথা শুনিছোঁ—বামুন ঠাকুৰৰ ঘৰত আজি গৰখীয়া আনে আজি পলায়, কালি গৰখীয়া আনে কালি পলায়। তাতে গৈ চা।" দৈৱ ক্ষণত বামুন ঠাকুৰ দুৱাৰত ওলাবৰ সময়ত গৰখীয়া ল'ৰাই গৈ পালে। গৰখীয়া ল'ৰাই ক'লে—"হে ঠাকুৰ, গৰু চৰাই ভাত খাওঁ।" বামুন ঠাকুৰে সুধিবলৈ ধৰিলে—হে বাবা, তই আত্মীয়-কুটুম্বৰ নে অনা-আত্মীয়ৰ ল'ৰা? গৰখীয়া ল'ৰাই ক'লে , "হে ঠাকুৰ, মই অনা-আত্মীয়ৰ ল'ৰা?" "অনা-আত্মীয়ৰ ল'ৰা মই সাতটা ৰাখিবলৈ পাৰোঁ। আত্মীয়ৰ ল'ৰা এটাও ৰাখিব নোৱাৰোঁ। আজি আনো আজি পলায়, কালি আনো কালি পলায়।" এইবুলি বামুনীৰ ফালে চাই ক'বলৈ ধৰিলে—"হেৰা বামুনী, আমাৰ বাহী ভাত আছে নে নাই?" বামুনীয়ে ক'লে—" কিয়নো মাতা

ঘনে ঘনে? আমাৰ বাহী ভাত আজি নাই নে কালি নাই? চিৰদিন আছে।" বামুন ঠাকুৰে ক'লে—"দিয়া তেনেহ'লে। আমাৰ গৰখীয়া ল'ৰা আহিছে। বামুনীয়ে হাড়ীত চুঁচি-মাজি অলপমান ভাত পালে। তাকে উকা পাতত দিলে। পূব মুখী গৰখীয়া ল'ৰা পশ্চিম মুখী হ'ল। বামুনীয়ে বামুন ঠাকুৰক ক'বলৈ ধৰিলে—"হেৰি বামুন, তোমাৰ গৰখীয়া ল'ৰাই ভাত নাখায়। " "কেনেকৈনো দিছা?" বামুন ঠাকুৰে সুধিলে। বামুনীয়ে ক'লে—"উকা পাতত।" "অ' তই আৰু নেজানানে? ঠাই মুচি-কাচি আগলতি পাতত দি চাচোন।" তেতিয়াহে ঠাই মুচি-কাচি আগলতি পাতত ভাত দিলে। তেতিয়াহে পশ্চিম দিশে হোৱা মুখ পূব দিশে ঘূৰি খাবলৈ ধৰিলে।

## ৯.১১ পশ্চিম দুধনৈ অঞ্চলৰ নমুনা ঃ

উই স'ম'য়'তে আগতে লাঙা ৰাজাই আঠাৰো ৰাজাৰ পাৰা আনা আঠাৰো হাজাৰ টাকাৰ ধাৰ আদায় ক'ৰিবাক আহিলে। তেলা মাৰ আৰো ছাৱাৰ গোটা গাৰ'তে খুছু লাগিছে। তামি ক'বাক ধ'ৰিলা— "তুমাৰ পাৰা আনা টাকা আমি হাতো ক'ৰা নাই; খাৱাও নাই।" এই বুলি কিৰা খালে। পাছে আঠাৰো ৰাজাই মাৰ আৰু ছাৱাকে বান্দিয়া গুটিয়া ডুকিয়া মাৰ্‌কিল কৰিবাক ধ'ৰিলা। মাৰ্‌কিল ক'ৰিতে ক'ৰিতে যি পায় ঘ'ৰেৰ ৰুৱা-কামি আৰো ভিটা মাটিকে খুন্দিয়া -খান্দেয়া বোজাই ক'ৰিয়া ভাৰ ভেটি ক'ৰিয়া নিয়া যাবাক ধ'ৰিলা। তাৰ পাছে মাৰেৰ বান মাৰে কাটিয়া আৰো ছাৱাৰ বান ছাৱাই কাটিয়া দুইজ'নে যুগচালাপ ক'ৰিবাক ধ'ৰিলা। "ত'ই যা পূবে কাটি, ম'য় যাং পশ্চিমে কাটি।"—এই বুলিয়ানা ছাৱাই ক'লে। তাৰ পাছে মাৰ গেলে পূবে কাটি আৰু ছাৱাই গেল পশ্চিম কাটি। এক গিৰিৰ ঘ'ৰ'ত যায় কাৰকিনি ছাৱাই ক'বাক ধ'ৰিলা—"গুৰু চাৰাং ভাত খাং।" "হাৰে বাবা, ম'ৰ একটাখানি গুৰু, একটা খানি বেটা। তাকে নুকুলায়। আৰো ক'ত ম'য় তোক ৰাখিবাক পাম। উই গিৰিৰ ঘ'ৰ'ত যায় চা। তায়ে ৰাখে কি নাৰাখে?" উই গিৰিৰ ঘ'ৰ'ত যায়া চায়। তাতো ক'য়—"গিৰি ঘ'ৰ'ৰে গিৰি ঘৰ, গুৰু চাৰাং ভাত খাং।" "হাৰে বাবা, ম'ৰ দুইটা খানি গুৰু, দুইটা খানি বেটা। তাকে নুকুলায়। ম'য় তোক ক'ত ৰাখিবা পাং। ভালে কথা শুনিছুং-বামুন ঠাকুৰ'ৰ ঘ'ৰ'ত চ' আজি লাখ'ৰ আনে আজি পালায়, কালি লাখ'ৰ আনে কালি পালায়। তাতে যায়া চা।" দেবাখ'নে

বামুন ঠাকুৰ দুৱাৰ'ত ওলাবাৰ খেন লাখ'ৰ ছাৱা যায়া পাবাৰ খেন। লাখ'ৰ ছাৱাই ক'লা—"ঠাকুৰ'ৰে ঠাকুৰ, গুৰু চাৰাং কেনে ভাত খাং।" বামুন ঠাকুৰ পুচজ্ঞান ক'ৰিলা— "হাৰে বাবা, ত'য়বা লাগাৰ ছাৱা না অ'লাগাৰ ছাৱা?" লাখ'ৰ ছাৱাই ক'য়—"ঠাকুৰ ম'য় অ'লাগাৰ ছাৱা।" "অ'লাগাৰ ছাৱা ম'য় সাত্‌টা ৰাখিবাক পাং। লাগাৰ ছাৱা ম'য় এক্‌টাও ৰাখিবাক নাপাং। আজি আন'ং আজি পালায়, কালি আন'ং কালি পালায়। "এই বুলিয়ানা বামুনীৰ কাটি চাই ক'বাক ধ'ৰিলা—"বামুনীৰে বামুনী, আমাৰ ঝ'ক্‌ৰা- পোস্তা আছে কি নাই?" বামুনীয়ে ক'য—"কিয়েতো মাতে ঘেঁটো ঘেঁটো? আমাৰ ঝ'ক্‌ৰা-পোস্তা আজি নাই না কালি নাই? চিৰ'দিন আছে।" বামুন ঠাকুৰে ক য়—"দেক তেনেহ'লে। আমাৰ লাখ'ৰ ছাৱা আহিছে। তাক ভোক লাগিয়া থাকিব'। বামুনীয়ে হাড়ীলাক যেম'ন-থেম'ন খ'ংখ্ৰেয়া খ'ংখ্ৰেয়া পালে এক চাম্‌কা। তাকে দিলে সাদা পাত'ত। লাখ'ৰ ছাৱা পূবে কাটিমুখ পশ্চিম কাটি হ'ল। বামুনীয়ে বামুন ঠাকুৰ'ক ক'বাক ধ'ৰিলা—"বামুন'ৰে বামুন, ত'ৰ লাখ'ৰ ছাৱা ভাত নাখায়।" "কি ম'তেতো দিছে?"— বামুন ঠাকুৰে পুছে। বামুনীয়ে বোলে —"সাদা পাত'ত।" "অ' ত'য় আৰো নাজানা না? আল'তি পাত'ত জাগা মুচিয়া কাচেয়া দিয়া চাতো।" তেচে বোলে জাগা মুচিয়া কাচেয়া আল'তি পাত'ত ভাত দিলে। তেচে পশ্চিম কাটি হোৱা মুখ পূবে কাটি হুয়া খাবাক ধ'ৰিলে।

(সৌজন্য ঃ শ্ৰী নেহৰু ৰাভা (৩৫), কৃষ্ণই, গোৱালপাৰা)

## ৯.১২ পূব দুধনৈ অঞ্চলৰ নমুনা ঃ

উই স'ম'য়'তে আগতে লাঙা ৰাজাই আঠাৰো ৰাজাৰ পেৰে আনা আঠাৰো হাজাৰ টাকাৰ ধাৰ আদায় ক'ৰিবাক আহিলা। তেতিয়া মায়্‌কে আৰো ছাৱাৰ গোটাই গাৰ'তে খুহু উঠ্‌ছে। তাহা ক'বা ধুৰ্‌লা— "ত'ৰ পেৰে আনা টাকা আমি হাতো ক'ৰা নাই, খাৱাও নাই। এই বুলি কিৰা খালা। পাছে আঠাৰো ৰাজাই মায়্‌কে আৰু ছাৱাকে বান্দি গুটিয়াই ডুকিয়াই মাৰ্‌কিল কুৰ্‌বা ধুৰ্‌লা। মাৰকিল ক'ৰ'ংতে ক'ৰ'ংতে যি পায় ঘ'ৰ'ৰ ৰুৰা-কামি আৰো ভিটা মাটিকে খান্দি-খুন্দি বোজাই ক'ৰি লুই যাবা ধুৰ্‌লা। তাৰ পাছ'ত মায়্‌কেৰ বান মায়্‌কে কাটি আৰো ছাৱাৰ বান ছাৱাই কাটি

দুইজ'নে আল'চ কুৰ্বা ধুৰ্লা। "তুই যা পূব দিগি আৰো মুই যাং পশ্চিম দিগি। " —এই বুলি ছাৰাই ক'লা। তাৰ পাছত মায়কে গেল পূব দিগি আৰো ছাৰা গেল পশ্চিম দিগি। এক গিৰিৰ ঘ'ৰ'ত যায় কেনে ছাৰাই ক'বা ধুৰ্লা—" গুৰু চাৰিকেনে ভাত খাং।" "হাৰে বাবা, ম'ৰ একটাখানি গুৰু, একটা খানি বেটা। তাকে নুক্‌লায়। আৰো ক'ত ত'ক মুই ৰাখিবা পাং? উই গিৰিৰ ঘ'ৰ'ত যাই চা। সিয়ে ৰাখে না নাৰাখে?" সিগিৰিৰ ঘ'ৰ'ত যাই চায়। তাতো ক'য়—"গিৰি ঘ'ৰ্ৰে গিৰিঘ'ৰ, গুৰু চাৰায় কেনে ভাত খাং।" "হাৰে বাবা ম'ৰ দুইটাখানি গুৰু, দুইটা খানি বেটা। তাকে নুক্‌লায়। মুই ত'ক ক'ত ৰাখ্‌বা পাং? ভালে কথা শুনছুং - বামুন ঠাকুৰেৰ ঘ'ৰ'ত চুন আজি লাখ'ৰ আনে আজি পালায়, কালি লাখ'ৰ আনে কালি পালায়। তাতে যাই চা।" দৈবাখ'ন'ত বামুন ঠাকুৰ দুৱাৰ'ত ওলাবাৰ প'ৰ'ত গুৰ্খা ছাৰাই যাই পালে। গুৰ্খা ছাৰাই ক'লা—"ঠাকুৰ ৰে ঠাকুৰ, গুৰু চাৰায় কেনে ভাত খাং।" বামুন ঠাকুৰে সুধ্‌বা ধুৰ্লা—" হাৰে বাবা, তুই বা লাগাৰ ছাৰা না অলাগাৰ ছাৰা?" গুৰ্খা ছাৰাই বোলে—"ঠাকুৰ, মুই অ'লাগাৰ ছাৰা।" "অ'লাগাৰ ছাৰা মুই সাতটা ৰাখিবা পাৰ'ং। অলাগাৰ ছাৰা মুই এক্‌টাও ৰাখিব ন'ৰ'ং। আজি আন'ং আজি পালায়, কালি আন'ং কালি পালায়।" এইবুলি বামুনীৰ দিগি চাই ক'বা ধুৰ্লা—"বামুনীৰে বামুনী, আমাৰ ঝ'ক্‌ৰা-পোন্তা ভাত আছে কি নাই?" বামুনীয়ে ক'য়—"কিয়েতো মাতে ঘেঁটো ঘেঁটো? আমাৰ ঝ'ক্‌ৰা-পোন্তা ভাত আজি নাই না কালি নাই? চিৰ'দিন আছে।" বামুন ঠাকুৰে বোলে—"দে তেনেহ'লে। আমাৰ গুৰ্খা ছাৰা আহিছে। তাক ভুখ লাগি থাকিব।" বামুনীয়ে হাড়ীত যেন-তেন খ'ংখ্ৰেয়া খ'ংখ্ৰেয়া এক চাম্‌কা ভাত পালে। তাকে সাদা পাত'ত দিলে। পূবমুৰা গুৰ্খা ছাৰা পশ্চিম মুৰা হ'ল। বামুনীয়ে বামুন'ক ক'বা ধুৰ্লা—"বামুন'ৰে বামুন, তোৰ গুৰ্খা ছাৰাই ভাত নাখায় ।" "কেঙ্কা কৰি দিছা?"—বামুন ঠাকুৰে সুধ্‌লা। বামুনীয়ে বোলে—"সাদা পাত'ত।" "অ' ত'ই আৰো নাজানা না? আল'তি পাত'ত জাগা মুচি-কাচি দি চাতো।" তেহে বোলে জাগা মুচি-কাচি আল'তি পাত'ত ভাত দিলা। তেহে পশ্চিম কাটি মুখ পূব কাটি হুই খাবা ধুৰ্লা।

(সৌজন্য ঃ শ্ৰী ভূবিন ৰাভা (৬৫), লোহাৰঘাট, কামৰূপ)

## ৯.১৩ তামুলপুৰ অঞ্চলৰ নমুনা ঃ

সি স'ম'য়'তে আগতে লাঙা ৰাজাই আঠাৰো ৰাজাৰ পায় আনা আঠাৰো হাজাৰ টাকাৰ ধাৰ আদায় ক'ৰিবা আহিলা। তেতিয়া মায়াকে আৰো ছ'লিৰ গোটেই গাৰ'তে খুহু উঠ্ছে। তান্থে ক'বা ধুৰ্লা—"তোৰ পায় আনা টাকা আমি হাতো ক'ৰা নাই, খাৰাও নাই। এই বুলি কিৰা খালা। পাছে আঠাৰো ৰাজাই মায়াকে আৰু ছ'লিকে বান্দি গুটিয়াই ডুকিয়াই মাৰ্কিল কুৰ্বা ধুৰ্লা। মাৰ্কিল কৰোংতে কৰোংতে যি পায় ঘৰৰ ৰুৰা-কামি আৰো ভিটা মাটিকে খান্দি-খুন্দি বোজাই ক'ৰি লুই যাবা ধুৰ্লা। তাৰ পাছত মায়াকেৰ বান মায়াকে কাটি আৰো ছ'লিৰ বান ছ'লিয়ে কাটি দুই জ'নে আল'চ কুৰ্বা ধুৰ্লা। "তুই যা পূব দিগি আৰো ম'ই যাং পশ্চিম দিগি। " —এই বুলি ছ'লিয়ে ক'লা। তাৰপাছত মায়াকে গেল পূব দিগি আৰো ছ'লিয়ে গেল পশ্চিম দিগি। এক গিৰিৰ ঘ'ৰ'ত যায় কেনে ছ'লিয়ে ক'বা ধুৰ্লা—" গুৰু চাৰিকেনে ভাত খাং।" "হাৰে বাবা, ম'ৰ এটা মাথ'ং গুৰু, এটা মাথ'ং বেটা। তাকে নুক্লায়। আৰো ক'ত তোক ম'ই ৰাখিবা পাং? সি গিৰিৰ ঘ'ৰ'ত যাই চা। সিয়ে ৰাখে না নাৰাখে?" সিগিৰিৰ ঘ'ৰ'ত যাই চায়। তাতো কয়—"গিৰি ঘ'ৰ'ৰে গিৰিঘ'ৰ, গুৰু চাৰায় কেনে ভাত খাং।" "হাৰে বাবা ম'ৰ দুইটা মাথ'ং গুৰু, দুইটা বেটা। তাকে নুক্লায়। ম'ই তোক ক'ত ৰাখিবা পাং? ভালে ক' থা শুন্ছুং- বামুন ঠাকুৰেৰ ঘ'ৰ'ত চুন আজি গুৰ্খা আনে আজি পালায়, কালি গুৰ্খা আনে কালি পালায়। তাতে যাই চা।" দৈবা খ'ন'ত বামুন ঠাকুৰ দুৱাৰ'ত ওলাব'ৰ প'ৰ'ত গুৰ্খা চানাই যাই পালা। গুৰ্খা ছাৱাই ক'লা—"ঠাকু ৰ ৰে ঠাকুৰ, গুৰু চাৰায় কেনে ভাত খাং।" বামুন ঠাকুৰে সুধ্বা ধুৰ্লা—" হাৰে বাবা, ত'ই বা লাগাৰ ছ'লি না অ'লাগাৰ ছ'লি?" গুৰ্খা চানাই বোলে—"ঠাকুৰ ম'ই অ'লাগাৰ ছ'লি।" "অ'লাগাৰ ছ'লি ম'ই সাতটা ৰাখিবা পাৰ'ং। অ'লাগাৰ ছ'লি ম'ই এক্টাও ৰাখিব ন'ৰ'ং। আজি আন'ং আজি পালায়, কালি আন'ং কালি পালায়।" এইবুলি বামুনীৰ দিগি চাই ক'বা ধুৰ্লা—"বামুনীৰে বামুনী, আমাৰ ঝ'ক্ৰা-পোন্তা ভাত আছে কি নাই?" বামুনীয়ে ক'য়—"কিনু মাতা ঘ'নে ঘ'নে? আমাৰ ঝ'ক্ৰা-পোন্তা ভাত আজি নাই না কালি নাই? চিৰদিন আছে।" বামুন ঠাকুৰে বোলে—"দি তেনেহ'লে। আমাৰ গুৰ্খা ছ'লি আহিছে। তাক ভুখ লাগি থাকিব।" বামুনীয়ে হাড়ীত যেনে-তেনে খ'ংখ্ৰেয়া খ'ংখ্ৰেয়া এক চাম্কা

ভাত পালা। তাকে সাদা পাত'ত দিলা। পূবমুৰা গুৰ্খা ছলি পশ্চিম মুৰা হ'ল। বামুনীয়ে বামুনক ক'বা ধুৰ্লা— "বামুনৰে বামুন, তোৰ গুৰ্খা চানাই ভাত নাখায়।" "কেন্‌কা ক'ৰি দিছা ?"—বামুন ঠাকু ৰে সুধ্‌লা। বামুনীয়ে বোলে—"সাদা পাত'ত।" "অ' ত'ই আৰো নাজানা না? আগ্‌ল'তি পাত'ত জাগা মুচি-কাচি দি চাতো।" তেহে বোলে জাগা মুচি- কাচি আগ্‌ল'তি পাত'ত ভাত দিলে। তেহে পশ্চিম কাটি মুখ পূব কাটি হুই খাবা ধুৰ্লা।

(সৌজন্য ঃ শ্ৰীলোহিত ৰাভা (৩৩), তামুলপুৰ)

## ৯.১৪ টংলা অঞ্চলৰ নমুনা ঃ

সি স'ম'য়'তে আগতে লাঙা ৰাজাই আঠাৰো ৰাজাৰ পায় আনা আঠাৰো হাজাৰ টাকাৰ ধাৰ আদায় কুৰ্বা আহিলা। তেতিয়া মায়াকে আৰো ছ'লিৰ গোটেই গাৰ'তে খুহ উঠ্‌ছে। তান্‌থে ক'বা ধুৰ্লা— "তোৰ পায় আনা টাকা আমি হাতো ক'ৰা নাই, খাৱাও নাই। এই বুলি কিৰা খালা। পাছে আঠাৰো ৰাজাই মায়াকে আৰু ছ'লিকে বান্দি গুটিয়াই ডুকিয়াই মাৰ্কিল কুৰ্বা ধুৰ্লা। মাৰ্কিল ক'ৰোংতে ক'ৰোংতে যি পায় ঘৰৰ ৰুৱা-কামি আৰো ভিটা মাটিকে খান্দি-খুন্দি বোজাই কৰি লুই যাবা ধুৰ্লা। তাৰ পাছ্‌ত মায়াকেৰ বান মায়াকে কাটি আৰো ছ'লিৰ বান ছ'লিয়ে কাটি দুই জ'নে আল'চ কুৰ্বা ধুৰ্লা। "ত'ই যা পূব দিগি আৰো ম'ই যাং পশ্চিম দিগি। " —এইবুলি ছ'লিয়ে ক'লা। তাৰপাছ্‌ত মায়াকে গেল পূব দিগি আৰো ছ'লিয়ে গেল পশ্চিম দিগি। এক গিৰিৰ ঘ'ৰ'ত গেই কেনে ছ'লিয়ে ক'বা ধুৰ্লা—" গুৰু চাৰিকেনে ভাত খাং।" "হাৰে বাবা, ম'ৰ এটা মাথ'ং গুৰু, এটা মাথ'ং বেটা। তাকে নুক্‌লায়। আৰো ক'ত তোক মুই ৰাখিবা পাং? সি গিৰিৰ ঘ'ৰ'ত যাই চা। সিয়ে ৰাখে না নাৰ্খে?" সিগিৰিৰ ঘ'ৰ'ত যাই চায়। তাতো ক'য়—"গিৰি ঘৰৰে গিৰিঘ'ৰ, গুৰু চাৰায় কেনে ভাত খাং।" "হাৰে বাবা ম'ৰ দুইটা মাথ'ং গুৰু, দুইটা বেটা। তাকে নুক্‌লায়। মুই তোক কে'ত ৰাখিবা পাং? ভালে ক'থা শুনছুং— বামুন ঠাকুৰেৰ ঘ'ৰ'ত চুন আজি গুৰ্খা আনে আজি পালায়, কালি গুৰ্খা আনে কালি পালায়। তাতে যাই চা।" দৈবাখ'ন'ত বামুন ঠাকুৰ দুৱাৰ'ত ওলাবাৰ প'ৰ'ত গুৰ্খা চানাই যাই পালা। গুৰ্খা ছাৱাই ক'লা—"ঠাকুৰ ৰে ঠাকুৰ, গুৰু চাৰায় কেনে ভাত খাং।" বামুন ঠাকুৰে সুধ্‌বা ধুৰ্লা—" হাৰে বাবা, তুই বা লাগাৰ ছ'লি না

অ'লাগাৰ ছ'লি?" গুৰ্খা চানাই বোলে—"ঠাকুৰ ম'ই অ'লাগাৰ ছলি।" "অ'লাগাৰ ছ'লি ম'ই সাতটা ৰাখিবা পাৰ'ং। লাগাৰ ছ'লি মুই এক্টাও ৰাখিবা ন'ৰ'ং। আজি আন'ং আজি পালায়, কালি আন'ং কালি পালায়।" এইবুলি বামুনীৰ দিগি চাই ক'বা ধুৰ্‌লা—"বামুনীৰে বামুনী, আমাৰ ঝ'ক্‌ৰা-পোন্তা ভাত আছে কি নাই?" বামুনীয়ে ক'য়—"কিনু মাতা ঘ'নে ঘ'নে? আমাৰ ঝক্‌ৰা-পোন্‌তা ভাত আজি নাই না কালি নাই? চিৰদিন আছে।" বামুন ঠাকুৰে বোলে—"দি তেনেহ'লে। আমাৰ গুৰ্খা ছ'লি আহিছে। তাক ভুখ লাগি থাকিব।" বামুনীয়ে হাড়ীত যেনে-তেনে খ'ংখ্ৰেয়া খ'ংখ্ৰেয়া এক চাম্‌কা ভাত পালা। তাকে সাদা পাতত দিলা। পূব মুৰা গুৰ্খা ছ'লি পশ্চিম মুৰা হ'ল। বামুনীয়ে বামুন'ক ক'বা ধুৰ্‌লা—"বামুন্‌ৰে বামুন, তোৰ গুৰ্খা চানাই ভাত নাখায়।" "কেন্‌কা কৰি দিছা?"—বামুন ঠাকুৰে সুধ্‌লা। বামুনীয়ে বোলে—"সাদা পাত'ত।" "অ' ত'ই আৰো নাজানা না? আগ্‌ল'তি পাত'ত জাগা মুচি-কাচি দি চাতো।" তেহে বোলে জাগা মুচি-কাচি আগ্‌ল'তি পাত'ত ভাত দিলে। তেহে পশ্চিম কাটি মুখ পূব কাটি হুই খাবা ধুৰ্‌লা।

(সৌজন্য ঃ শ্ৰীসতীশ ৰাভা (৭০),খৈৰাবাৰী, দৰং)

### ৯.২০ কথোপকথনৰ নমুনা ঃ

### ৯.২১ পশ্চিম দুধনৈ অঞ্চলৰ নমুনা ঃ

প্ৰথম ব্যক্তি ঃ দ'স্বৰুলাৰ মাতিগিলাংতো আমি হিৰি ন'ক'ৰুং। তামাক্‌তো নাখাংকো, নেদেংকো আমি খাজানা।..... এ! তুমাকে দিম না তামাকে দিম এলা।

দ্বিতীয় ব্যক্তি ঃ খাজানা দেখুন দিয়ে আছে।

প্ৰথম ব্যক্তি ঃ তে কিয় নুতিছ আহিল তে নেতে?

তৃতীয় ব্যক্তি ঃ আৰো কুনবাতা ভাগ দিবা লাগে?

প্ৰথম ব্যক্তি ঃ কিজানি! মুই আৰো কিহৰ নুতিছ? এনেহ'লি দিয়ে থাকে খাজানা। বা! কিহ'ৰ নুটিচ আইছে! ক'বা ন'ৰ'ং । কিহৰ এংলা? মুইতো এংলা নাজান'ং। দ'স্বৰুলাতো নেদেকো, খ'ব'ৰো ন'লায়। এক বছৰো সেংকা নুতিছ আহিল। আমিহে কিবা ক'ৰি, কিবা

নক'ৰি ক'ৰিয়া ছিপছাপ কুৰ্লুং। আৰো ইবাৰো আহিছে। আমি আৰো ক'তো ভ'ৰি থাকিম? তামি খাই থাকিব পেত ভ'ৰিয়া ভাত।

(প্ৰথম ব্যক্তি ঃ দম্বৰুৰ মাটিবোৰতো আমি হেৰি (খেতি) নকৰোঁ। তাকতো আমি নাখাৰোঁ, খাজনাও নিদিওঁ। .....এহ! এতিয়া তোমাকে দিম নে তাকে দিম?

দ্বিতীয় ব্যক্তি ঃ এহ! খাজনা দেখোন দিয়ে আছে।

প্ৰথম ব্যক্তি ঃ তেতিয়া হ'লে কিহৰ নোটিচ আহিল?

তৃতীয় ব্যক্তি ঃ আৰুবা কোনটো ভাগৰ দিব লাগে?

প্ৰথম ব্যক্তি ঃ জানো! মই বোলো কিহৰ নোটিচ ? এনেহ'লে দিয়ে থাকে খাজনা। বা! কিহৰ নোটিচ আহিছে! ক'ব নোৱাৰোঁ। কিহৰ এইবোৰ? মইতো এইবোৰ নাজানো। দম্বৰুয়েতো নিদিয়েও, খবৰো নল'য়। এক বছৰো তেনেকৈ নোটিচ আহিল। আমিহে কিবা কৰি, কিবা নকৰি মিমাংসা কৰিলোঁ। আৰু এইবাৰো আহিছে। আমি আৰু কিমান ভৰি থাকিম? সি খাই থাকিব পেট ভৰাই ভাত!)

## ৯.২২ পূব দুধনৈ অঞ্চলৰ নমুনা ঃ

প্ৰথম মহিলা ঃ তাকেতো যাবা ওলালুং। দোকানে বন্ধ ক'ৰ্লুং। পাচ তাকা হ'লি আৰো ভাল হ'লা হুই। এটাও ল'গাব ন'ৰ'ং। কি বেপাৰ ক'ৰ'ংতে। নাংহে বেপাৰ কৰা।

দ্বিতীয় মহিলা ঃ দে এংকা হ'ব বুলি কায় জানেতে।

প্ৰথম মহিলা ঃ এ মায়কেতা আহিলি ভাল আছ্লি। সি আহিলি আৰো পাচ তাকা লুগাব' পাৰ্লুং হুই।

* * * *** *** *** ***

দ্বিতীয় মহিলা ঃ সি ভাত আন্ছে। মোকো খাবা জ'ৰ ক'ৰ্ছিল। মই নাখাং যা, সেংকা বুল্লুং।

প্ৰথম মহিলা ঃ এ ব'গা বুৰিতা ঘ'ৰ'ত গেল নিকি?

(প্ৰথম মহিলা ঃ সেয়েহে যাবলৈ ওলালোঁ। দোকানেই বন্ধ কৰিলোঁ। পাঁচ টকা হ'লে আৰু ভাল হ'লহেতেন। এটাও বেচিব নোৱাৰোঁ। কিনো বেপাৰ কৰো? নামতহে বেপাৰ কৰোঁ।

দ্বিতীয় মহিলা ঃ এনে হ'ব বুলি কোনেনো জানে?

প্ৰথম মহিলা ঃ মা আহিলি ভাল আছিল। তেওঁ আহিলে আৰু পাঁচ টকাৰ বেচিব পাৰিলোঁহেঁতেন।

*** *** *** *** ***

দ্বিতীয় মহিলা ঃ সি ভাত আনিছে। মোকো খাবলৈ জোৰ কৰিছিল। মই নাখাও বুলি ক'লোঁ।

প্ৰথম মহিলা ঃ এহ্ বগা বুঢ়ীজনী গ'ল নেকি?)

## ৯.২৩ তামুলপুৰ অঞ্চলৰ নমুনা ঃ

প্ৰথম ব্যক্তি ঃ এইটো খাৱা নে নাখাৱা?

দ্বিতীয় ব্যক্তি ঃ হেই নাখাওঁ।

প্ৰথম ব্যক্তি ঃ বতল নাখাৱা?

দ্বিতীয় ব্যক্তি ঃ নাখাং।

প্ৰথম ব্যক্তি ঃ স'ইতু নাখোৱা ? স'ইতু নাখাৱা না?

দ্বিতীয় ব্যক্তি ঃ হেইত নাখাং। জ'ম্মতো নাখাং ম'ই।

*** *** *** ***

তৃতীয় ব্যক্তি ঃ পেন'লাগা পুতাক ম'ই।

প্ৰথম ব্যক্তি ঃ পেন'ৰ?

তৃতীয় ব্যক্তি ঃ উলুবাৰীৰ পেন'ৰ পুতাক ম'ই। হেই ৰাৰ'ন'ৰ ব'য়নাকৰ পুতাক ম'ই।

(প্ৰথম ব্যক্তি ঃ এইটো খোৰা নে নোখোৰা?

দ্বিতীয় ব্যক্তি ঃ ধেইত্ নাখাওঁ।

প্ৰথম ব্যক্তি ঃ মদ নোখোৰা।

দ্বিতীয় ব্যক্তি ঃ নাখাওঁ।

প্ৰথম ব্যক্তি ঃ সঁচাকৈয়ে নোখোৰা? সঁচাকৈয়ে নোখোৰা নে?

দ্বিতীয় ব্যক্তি ঃ ধেইত্ নাখাওঁ। কেতিয়াও নাখাওঁ মই।

*** *** *** ***

তৃতীয় ব্যক্তি ঃ পেনৰ পুতেক মই

প্ৰথম ব্যক্তি ঃ পেনৰ ?

তৃতীয় ব্যক্তি ঃ উলুবাৰীৰ পেনৰ পুতেক মই। ৰাৱনৰ ভনীয়েকৰ পুতেক মই।)

## ৯.২৪ টংলা অঞ্চলৰ নমুনা ঃ

প্ৰথম মহিলা ঃ এতিয়াতো আমিতো যাৰা নহ'ল।

দ্বিতীয় মহিলা ঃ তাকেতো।

প্ৰথম মহিলা ঃ কিবা হ'ল? কিবা থাক্‌লা? আমিতো শুনাই নাপাল'ং। সেন্তেতো নক'লা আমাক। সুতা বা দিব না নাই? কিমান প'ৰ'ত দিব?

দ্বিতীয় মহিলা ঃ কি ক'ৰে বা সেন্তেহে এতিয়া জানে।

প্ৰথম মহিলা ঃ কেতিয়া বা দিব' আৰো? সেন্তেহে জানে।

দ্বিতীয় মহিলা ঃ আমি সেন্তোক ল'গ পালি ভাল আছিল। আমিতো আৰো ল'গ নাপাল'ং সেন্তোক।

প্ৰথম ব্যক্তি ঃ তে সেন্তে আহিলি ভাল হুই। তে কি ক'ৰিব' কি থ'ব'? আমাৰ একেবাৰে পুইছাই কিমান হাহাকাৰ হুইছে। সেন্তেতো পুইছাতো

দিব' লাগ্‌ব'। এতিয়া এমান মা হুই গেল। ছয় মা পাচ মা পাৰ হুই গেল।

(প্ৰথম ব্যক্তি ঃ এতিয়াতো আমি যোৰা নহ'ল।

দ্বিতীয় ব্যক্তি ঃ সেয়াইতো।

প্ৰথম ব্যক্তি ঃ কিবা হ'ল? কিবা থাকিল? আমিতো শুনাই নাপালোঁ। সিহঁতেও নক'লে আমাক। সুতা দিব নে নাই? কিমান সময়ত দিব?

দ্বিতীয় ব্যক্তি ঃ কি কৰে সিহঁতেহে এতিয়া জানে।

প্ৰথম ব্যক্তি ঃ কেতিয়াবা দিয়ে আৰু? সিহঁতেহে জানে।

দ্বিতীয় ব্যক্তি ঃ আমি সিহঁতক লগ পালে ভাল আছিল। আমিতো আৰু সিহঁতক লগ নাপালোঁ।

প্ৰথম ব্যক্তি ঃ গতিকে সিহঁতে আহিলে ভাল হ'লহেঁতেন। কি কৰিব কি থ'ব? আমাৰ পইছাৰে বহুত হাহাকাৰ হৈছে। সিহঁতেতো পইছাখিনি দিব লাগিব। এতিয়া ইমান মাহ হৈ গ'ল। ছয় মাহ পাঁচ মাহ হৈ গ'ল।)[১]

---

১. কথোপকথনৰ নমুনাত উল্লিখিত ব্যক্তিসমূহৰ (প্ৰথম, দ্বিতীয়, তৃতীয়......) নাম ইচ্ছাকৃত ভাৱে ৰহিত কৰা হৈছে। উল্লেখ থাকে যে ব্যক্তিসমূহৰ সচেতনতা আৰু আনুষ্ঠানিকতা ৰোধ কৰিবলৈ কথোপকথনখিনি তেওলোকৰ অজ্ঞাতে বাণীবদ্ধ কৰা হৈছে।